জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৬০/২০২১

# ক'ভিড টিকা সম্পূৰ্ণকৰণ কাৰ্যসূচী ৰূপায়ণ সম্পৰ্কত জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষকৰ সৈতে মুখ্যমন্ত্ৰীৰ ভিডিঅ' কনফাৰেন্স

## এই কাৰ্যসূচী অভিযান আকাৰে লৈ প্ৰথম পালি টিকা প্ৰদান সম্পূৰ্ণ কৰাৰ নিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৭ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে অহা ২৯ নৱেম্বৰৰ পৰা ৫ ডিচেম্বৰলৈ সমগ্ৰ ৰাজ্যখনতে চলাবলগীয়া ক'ভিড টিকা সম্পূৰ্ণকৰণ কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে জিলাসমূহৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এক বৈঠকত মিলিত হয়।

বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যখনত ক'ভিড টিকাকৰণৰ ১০০ শতাংশ সম্পূৰ্ণ কৰাৰ উদ্দেশ্যেৰে চৰকাৰে অহা ২৯ নৱেম্বৰৰ পৰা ৫ ডিচেম্বৰলৈ ক'ভিড টিকা সম্পূৰ্ণকৰণ কাৰ্যসূচী হাতত লৈছে। এই অভিযানৰ অধীনত পৰীক্ষাকাৰী দলসমূহে প্ৰতিটো নিৰ্বাচনী বুথ এলেকাৰ সকলো গৃহ পৰিদৰ্শন কৰিব। এই দলসমূহে প্ৰতিঘৰ লোকৰ গৃহলৈ গৈ ক'ভিড টিকা লোৱাৰ প্ৰমাণপত্ৰ সমূহ পৰীক্ষা কৰিব আৰু এই প্ৰমাণপত্ৰসমূহত প্ৰতিস্বাক্ষৰ (কাউণ্টাৰ চাইন) প্ৰদানেৰে এলেকাটোৰ প্ৰথম পালি ক'ভিড টিকা সম্পূৰ্ণকৰণ নিশ্চিত কৰিব।

মুখ্যমন্ত্ৰীয়ে সকলো বিষয়াকে অভিযান আকাৰে এই কাৰ্যসূচী সফলতাৰে সম্পূৰ্ণ কৰাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে যাতে এতিয়ালৈকে ক'ভিডৰ টিকা নোলোৱা ব্যক্তিসকলক চিনাক্ত কৰি এলেকাটোৰ সকলো যোগ্য ব্যক্তিকে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত টিকা প্ৰদান কৰাটো নিশ্চিত কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে লগতে দ্বিতীয় পালি টিকা প্ৰদানৰ বিষয়টোৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ বাবেও নিৰ্দেশ দিয়ে আৰু দায়িত্ববাহীসকলো বিষয়াক এই অভিযানৰ সময়ত যিকোনো স্বাস্থ্য সম্বন্ধীয় প্ৰয়োজন ক্ষিপ্ৰতাৰে পূৰণ কৰাৰ বাবে পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই অভিযান এক ব্যাপক কাৰ্যসূচী হিচাপে সমগ্ৰ ৰাজ্যখনতে ৰূপায়ণৰ পদক্ষেপ লোৱা হৈছে যাতে ক'ভিড অতিমাৰীৰ সাম্ভব্য তৃতীয়টো জোৱাৰ প্ৰতিহত কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে এই কাৰ্যসূচীৰ লগত জড়িত সকলো বিষয়া-কৰ্মচাৰীকে অভিযান আকাৰে ৰূপায়ণৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে যাতে ৰাজ্য তথা ৰাষ্ট্ৰক এই অতিমাৰীৰ পৰা ৰক্ষা কৰিব পৰা যায়।

মুখ্যমন্ত্ৰীয়ে এই কাৰ্যসূচী সফল ৰূপায়ণৰ ক্ষেত্ৰত আৰক্ষীৰ ভূমিকাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। তেওঁ এই কাৰ্যসূচী ৰূপায়ণৰ দিশত অসামৰিক প্ৰশাসনলৈ সহায়-সহযোগিতা আগবঢ়োৱাৰ দিশত আৰক্ষীয়ে ল'বলগীয়া বিশেষ ভূমিকাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। অভিযানটোক দিক্ নিৰ্দেশনা প্ৰদানৰ বাবে ৰাজ্যৰ সকলো মন্ত্ৰী, মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধান, জিলাসমূহৰ অভিভাৱক সচিব, অন্যান্য মনোনীত বিষয়াবৰ্গই নিৰীক্ষক হিচাপে প্ৰতিটো প'লিং ষ্টেশ্যন এলেকাধীন স্থানসমূহ পৰিদৰ্শন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ভিডিঅ' কনফাৰেন্সিঙৰ আৰম্ভণিতে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ অভিযান সঞ্চালক ডাঃ এছ লক্ষ্মণনে ৰাজ্যখনত ক'ভিড টিকাকৰণৰ বিস্তৃত দিশ সামৰি এক প্ৰেজেণ্টেশ্যন আগবঢ়ায়।

বৈঠকত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, গৃহ বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেলৰ লগতে অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**নিঃকুঃদা**
**২৭-১১-২০২১**